মোবাইল ফ্ৰেইণ্ডলি
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, APRIL 11, 2024 www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ১০৩ Guwahati, Assam ।। মূল্যঃ এটকা

৪ পৃষ্ঠাত — পতঞ্জলিয়ে জীৱনৰ সৈতে হেতালি খেলিছে! ক্ষুণ্ণ সৰ্বোচ্চ ন্যায়ালয়

৬ পৃষ্ঠাত — প্ৰচাৰ অভিযান চলি থাকোতেই তিনিচুকীয়াত বিজেপি নেতাৰ মৃত্যু



হিংসা জৰ্জৰিত নিমাওমাও মণিপুৰত এনেকৈয়ে বিজেপিয়ে চলাইছে নিৰ্বাচনী প্ৰচাৰ অভিযান

# মণিপুৰ দিল্লীৰ পৰা যেন এতিয়াও বহু যোজন দূৰ

## মোবাইলত ২৯ ছেকেণ্ডৰ মোদীবাণী শুনাই বিজেপিয়ে ঘৰে ঘৰে বিচাৰিছে ভোট




**ই-সংবাদ বিশেষ, ১০ এপ্ৰিলঃ** লোকসভা নিৰ্বাচনক লৈ গৰম বতাহ বলা দেখা গৈছে সমগ্ৰ দেশত। কিন্তু তৎসত্বেও এক নিমাওমাও পৰিৱেশে বিৰাজ কৰিছে উত্তৰ-পূবৰ ৰাজ্য মণিপুৰত। বিগত প্ৰায় ১১ মাহ ধৰি হিংসাৰ দাবানলে গ্ৰাস কৰা মণিপুৰত নিৰ্বাচনৰ প্ৰাক সময়ছোৱাতো দেখিবলৈ পোৱা নাই কোনো বিশেষ নিৰ্বাচনী প্ৰচাৰ সভা, অনুষ্ঠিত হোৱা নাই বিজেপি-কংগ্ৰেছ আদি দলৰ তাৰকা প্ৰচাৰকৰ বিশাল জনসভা। আনকি ৰাজ্যখনৰ বাটে-পথে প্ৰত্যক্ষ শেষাংশ ২ পৃষ্ঠাত

জয়ৰাম ৰমেশৰ দাবী

## শক্তিশালী হৈছে কংগ্ৰেছ

**যোৰহাট, ১০ এপ্ৰিলঃ** লোকসভা নিৰ্বাচন তুংগত উঠাৰ সময়তে দুদিনীয়া কাৰ্যসূচীৰে অসমত আহি উপস্থিত হৈছে জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী জয়ৰাম ৰমেশ। কংগ্ৰেছ নেতাগৰাকীয়ে আজি যোৰহাটত উপস্থিত হৈ এখন সংবাদমেল সম্বোধন শেষাংশ ৩ পৃষ্ঠাত

## দ্বিতীয় মহলাৰ পৰা পৰি কটনৰ ছাত্ৰীৰ মৃত্যু

**ই-সংবাদ, ১০ এপ্ৰিলঃ** বুধবাৰে কটন বিশ্ববিদ্যালয়ৰ এগৰাকী ছাত্ৰীৰ মৃত্যুৰ ঘটনাই গুৱাহাটীৰ লগতে সমগ্ৰ ৰাজ্যতে চাঞ্চল্যৰ সৃষ্টি কৰিছে। শেষাংশ ৩ পৃষ্ঠাত

১২জন লোক নিহত

## ছত্তীশগড়ত খাৱৈত বাগৰিল যাত্ৰীবাহী বাছ

**ৰায়পুৰ, ১০ এপ্ৰিলঃ** ছত্তীশগড়ৰ দুৰ্গত মঙলবাৰে নিশা এখন বাছ নিয়ন্ত্ৰণহীন হৈ ৫০ ফুট দ খাৱৈত বাগৰি পৰাত কমেও ১২ জন লোক নিহত হোৱাৰ লগতে মহিলাসহ ১৫ জনৰো অধিক লোক আহত হোৱাৰ খবৰ পোৱা শেষাংশ ৩ পৃষ্ঠাত

## ছুপ্ৰিম ক'ৰ্টতো মুখথেকেচা খালে আম আদমীয়ে

**নতুন দিল্লী, ১০ এপ্ৰিলঃ** দিল্লীৰ সুৰা নীতি কেলেংকাৰীত কাৰাবন্দী হৈ থকা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ গ্ৰেপ্তাৰৰ বিৰুদ্ধে দাখিল কৰা আবেদন সন্দৰ্ভত আজি জৰুৰী শুনানি অনুষ্ঠিত কৰিবলৈ অস্বীকাৰ কৰে উচ্চতম শেষাংশ ২ পৃষ্ঠাত

# মণিপুৰ দিল্লীৰ পৰা যেন

■ প্ৰথম পৃষ্ঠাৰ পৰা...

নহয় কোনো বিশাল নিৰ্বাচনী প্ৰচাৰ হৰ্ডিং অথবা বেনাৰো। ইফালে ২১৯ জনৰো অধিক লোকৰ প্ৰাণ কাঢ়ি নিয়া মণিপুৰৰ হিংসাক লৈ বিগত এঘাৰ মাহ ধৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মৌনতাই ৰাজ্যখনৰ সাধাৰণ জনতাৰ মাজতো উকমুকনি তুলিছে এক অস্পষ্ট বিক্ষোভৰ। এনে সময়তে কংগ্ৰেছৰ প্ৰাৰ্থী তথা জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ অধ্যাপক বিমল আকোইজামে মোদীৰ গাফিলতি, মোদীৰ মৌনতা আৰু মোদীৰ বিশ্বাসঘাতকতাক অস্ত্ৰ হিচাপে লৈ জনতাক প্ৰভাৱিত কৰিবলৈ চেষ্টাত নামি পৰিছে। ৰাজ্যখনত কোনো গুৰুত্বপূৰ্ণ নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত নহ'লেও ঘৰে ঘৰে আৰু দোকানে দোকানে গৈ প্ৰচাৰ অভিযান আৰম্ভ কৰিছে কংগ্ৰেছে। বিপৰীতে, মণিপুৰৰ হিংসা প্ৰতিৰোধক লৈ নৰেন্দ্ৰ মোদীৰ মৌনতা আৰু ৰাজ্য চৰকাৰৰ বিফলতাক লৈ কংগ্ৰেছৰ এনে প্ৰচাৰৰ মাজতে এতিয়া আত্মৰক্ষাৰ হেতু হাতত দুটা অডিঅ' বাৰ্তা লৈ নিৰ্বাচনী প্ৰচাৰত জঁপিয়াই পৰিছে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এন বীৰেণ সিঙে। মঙলবাৰে এখন নিৰ্বাচনী প্ৰচাৰ সভাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দুটা অডিঅ' ৰেকৰ্ডিং শুনাই বিজেপিৰ ডুবিবলৈ ধৰা নাওখন ৰক্ষাৰ চেষ্টা চলায় মুখ্যমন্ত্ৰী বীৰেণ সিঙে। মন কৰিবলগীয়া যে, মুখ্যমন্ত্ৰীগৰাকীয়ে উপস্থিত জনতাক বজাই শুনোৱা প্ৰধানমন্ত্ৰীৰ অডিঅ' ৰেকৰ্ডিং দুটাৰ এটা ২ মিনিট ২৯ ছেকেণ্ডৰ। লোকসভাত মণিপুৰ সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে কৰা মন্তব্যৰ এই অডিঅ' ৰেকৰ্ডিংটো। আনহাতে আনটো অডিঅ' ৰেকৰ্ডিংত প্ৰধানমন্ত্ৰীয়ে স্বাধীনতা দিৱসত লালকিল্লাৰ পৰা দিয়া ভাষণত মণিপুৰৰ কথা উল্লেখ কৰিছিল। এই অডিঅ' ৰেকৰ্ডিংটোৰ দৈৰ্ঘ্য হৈছে ২৯ ছেকেণ্ড। অডিঅ' ৰেকৰ্ডিং দুটা বজাই শুনাই মুখ্যমন্ত্ৰী এন বীৰেণ সিঙে কয়, "কোনে কৈছে যে প্ৰধামন্ত্ৰীয়ে মণিপুৰক লৈ কথা কোৱা নাই! এই কথা তেওঁ কৈছে। এবাৰ নহয়, কেইবাবাৰো। বিশ্বাস কৰা নাই? তেন্তে নিজ কাণেৰে শুনক।" কিন্তু মুখ্যমন্ত্ৰীয়ে যে প্ৰধামন্ত্ৰী মোদীৰ অডিঅ' ৰেকৰ্ডিং শুনাই মণিপুৰক লৈ তেওঁৰ মৌনতা আৰু চৰকাৰৰ ব্যৰ্থতা গাপ দিবলৈ চেষ্টা কৰিছে, তাক লৈও এতিয়া বহুতে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। একেদৰে বিজেপি নেতা-নেত্ৰীসকলে ঘৰে ঘৰে গৈয়ো ভোটাৰক মোবাইলত মোদীৰ অডিঅ' শুনাই ভোট বিচৰাৰ কথা জানিবলৈ দিছে স্থানীয় সাংবাদিকসকলে। মোদীৰ ভাষণৰ মণিপুৰী ভাষাত অনুবাদ কৰি কৰি শুনাই বুজাবলৈ চেষ্টা কৰিছে বিজেপিয়ে। উল্লেখ্য যে, যোৱা বছৰৰ ৩ মে'ৰ পৰা মণিপুৰৰ দুটা প্ৰধান জনগোষ্ঠী কুকি আৰু মেইটেই সকলৰ মাজত সংঘটিত জাতিগত হিংসাই ৰাজ্যখনত দুশৰো অধিক লোকৰ প্ৰাণ কাঢ়ি নিয়াৰ লগতে এই হিংসা পৰিস্থিতিত লক্ষাধিক লোক গৃহহাৰা হ'বলগীয়া হৈছে। বিগত এঘাৰ মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে একাধিকবাৰ অসম আৰু উত্তৰ-পূব ভ্ৰমণ কৰিলেও এবাৰলৈ মণিপুৰলৈ নোযোৱাত বিৰোধীৰ লগতে সাধাৰণ জনতাইও মোদীক সমালোচনা কৰি আহিছে।

# ছুপ্ৰিম ক'ৰ্টতো মুখথেকেচা

■ প্ৰথম পৃষ্ঠাৰ পৰা...

ন্যায়ালয়ে। এনে পৰিস্থিতিত এতিয়া সোমবাৰে উচ্চতম ন্যায়ালয়ত শুনানি গ্ৰহণ কৰা হ'ব কেজৰিৱালৰ আবেদনৰ। ইফালে সুৰা নীতি কেলেংকাৰীৰ গোচৰত ইডিৰ গ্ৰেপ্তাৰক প্ৰত্যাহ্বান জনাই দিল্লী উচ্চ ন্যায়ালয়ে দিয়া নিৰ্দেশৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ আবেদনৰ বিৰুদ্ধে তৎকালীন শুনানিৰ বাবে বিশেষ বিচাৰপীঠ গঠন নকৰে বুলিও মন্তব্য কৰে উচ্চতম ন্যায়ালয়ে। কেজৰিৱালৰ অধিবক্তা তথা জ্যেষ্ঠ অধিবক্তা অভিষেক মনু সিংভীয়ে বুধবাৰে পুৰা দেশৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়ৰ আগত এই বিষয়টো উত্থাপন কৰি শীঘ্ৰে শুনানিৰ দাবী জনাইছিল। অৱশ্যে সেই সময়ত মুখ্য ন্যায়াধীশে আজি শুনানিৰ বাবে অনুমতি দিয়া হ'ব নে নহয় সেই কথা কোৱা নাছিল। তেওঁ কৈছিল, "আমি চাম, আমি ইয়াৰ ওপৰত চকু দিম।" ইয়াৰ পূৰ্বেও আদালতে গুৰুত্ব আৰোপ কৰিছিল যে সাধাৰণ মানুহ আৰু এজন মুখ্যমন্ত্ৰীক জেৰা কৰিবলৈ কোনো তদন্তকাৰী সংস্থাৰ কোনো বেলেগ প্ৰট'কল নাই। ইয়াৰ বাহিৰেও আদালতে মানি লৈছিল যে আদালতে দুটা পৃথক শ্ৰেণীৰ আইন সৃষ্টি নকৰে। আদালতে কয় যে এই কথা মন কৰিবলগীয়া যে তদন্ত প্ৰক্ৰিয়াৰ সময়ত সাধাৰণ মানুহ আৰু কেজৰিৱালৰ দৰে ৰাজহুৱা ব্যক্তিৰ মাজত এই আইনৰ পাৰ্থক্য নাই। এনে পৰিস্থিতিত ভিচিৰ জৰিয়তে কেজৰিৱালক জেৰা কৰিব পাৰিলেহেঁতেন বুলি কৰা যুক্তি নাকচ কৰা হয়। অভিযুক্তই তদন্ত কেনেকৈ কৰিব লাগে সেইটো সিদ্ধান্ত ল'ব নোৱাৰে। আদালতে দুবিধ আইন প্ৰতিষ্ঠা নকৰে। আদালতে কয় যে মুখ্যমন্ত্ৰীকে ধৰি কাৰো বাবে বিশেষ বিশেষ সুবিধা থাকিব নোৱাৰে। উল্লেখ্য যে, সুৰা নীতি কেলেংকাৰিৰ সৈতে জড়িত ধন সৰবৰাহৰ গোচৰত ইডিয়ে যোৱা ২১ মাৰ্চত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক গ্ৰেপ্তাৰ কৰিছিল। এই গ্ৰেপ্তাৰক তেওঁ উচ্চ ন্যায়ালয়ত প্ৰত্যাহ্বান জনাইছিল যদিও মঙলবাৰে আদালতে নাকচ কৰে। ধন সৰবৰাহৰ গোচৰত কেইবাবাৰো চমন জাৰি হোৱাৰ পাছতো অৰবিন্দ কেজৰিৱাল হাজিৰ নহ'ল বুলি উচ্চ ন্যায়ালয়ে স্বীকাৰ কৰিছে। ইয়াৰ পিছত ইডিৰ হাতত 'অতি কম বিকল্প' বাকী আছিল। এনে পৰিস্থিতিত উচ্চ ন্যায়ালয়ে কেজৰিৱালক গ্ৰেপ্তাৰ কৰাটো শুদ্ধ বুলি মানি লৈছে। ইয়াৰ পিছতে আপক টাৰ্গেট কৰি লৈছে বিজেপিয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# শক্তিশালী হৈছে কংগ্ৰেছ

কৰে। এই সংবাদমেলত নেতাগৰাকীয়ে কংগ্ৰেছৰ পঞ্চ ন্যায় ক্ৰমে যুৱ ন্যায়, নাৰী ন্যায়, কৃষক ন্যায়, শ্ৰমিক ন্যায়, অংশীদাৰিত্বৰ ন্যায় আৰু ২৫টা গেৰাণ্টিৰ কথা উল্লেখ কৰে। মোদী চৰকাৰৰ ১০ বছৰীয়া অন্যায় কালৰ পৰা দেশবাসীক মুক্তি দিবলৈকে কংগ্ৰেছে এই পঞ্চ ন্যায় আৰু ২৫ টা গেৰাণ্টি দাঙি ধৰিছে বুলিও কয় কংগ্ৰেছ নেতাগৰাকীয়ে। তেওঁ কয়, 'সমগ্ৰ দেশৰ প্ৰতিটো পৰিয়ালৰ ঘৰে ঘৰে গৈ আমি গেৰাণ্টি কাৰ্ড বিতৰণ কৰিছো। অসমতো ২১ লাখ পৰিয়ালৰ ঘৰে ঘৰে গেৰাণ্টি কাৰ্ড পোৱাৰ ব্যৱস্থা কৰিছো। এয়া হৈছে কংগ্ৰেছ দলৰ গেৰাণ্টি। এয়া কোনো ব্যক্তি বিশেষৰ গেৰাণ্টি নহয়।' এইবাৰৰ নিৰ্বাচন গণতন্ত্ৰ, সংবিধান আৰু ভাৰতৰ বৈচিত্ৰ্যতা ৰক্ষাৰ নিৰ্বাচন বুলিও তেওঁ মন্তব্য কৰে। 'প্ৰধানমন্ত্ৰীয়ে কৈছে যে যোৱা ১০ বছৰত যি হৈছে সেয়া তেওঁৰ ট্ৰেইলাৰ। আচল চিনেমা হেনো এতিয়াও বাকী আছেই। আমি ক'ব বিচাৰিছো যে মণিপুৰ এক ট্ৰেইলাৰ আছিল। ১১ মাহ পূৰ্বে মণিপুৰত যি হৈছিল সেয়া হৈছে ট্ৰেইলাৰ। এইবাৰ মোদী জয়ী হ'লে ধৰ্ম, জাতি, ভাষা, অঞ্চলৰ নামত সমাজক ভাগ ভাগ কৰা সেই ট্ৰেইলাৰ সমগ্ৰ দেশতে বিয়পি পৰিব। বিদেশৰ কথা কৈ বিদেশত ঘূৰি ফুৰা মোদীয়ে মণিপুৰলৈ এবাৰো নাহিল। মণিপুৰক লৈ মোদীয়ে আজিও মৌনতা ভংগ কৰা নাই।'-জয়ৰাম ৰমেশে কয়। কংগ্ৰেছ নেতাগৰাকীয়ে ইলেক্ট'ৰেল বণ্ড, নিবনুৱা সমস্যা, জিএছটিক লৈয়ো মোদী চৰকাৰক আক্ৰমণ কৰে। চান্দা দিয়া, ধাণ্ডা লোৱা নীতিৰে মোদীয়ে চৰকাৰ চলাই আছে বুলিও তেওঁ অভিযোগ কৰে। অসমত জিএছটিৰ লগতে এইছএছটিও ৰাইজে দিবলগীয়া হৈছে বুলিও কয় কংগ্ৰেছ নেতাগৰাকীয়ে। এই সকলোবোৰৰ মুক্তি পাবলৈ দিল্লীৰ মেইন ইঞ্জিন সলনি কৰিবলৈ তেওঁ আহ্বান জনায়। তেওঁ কয় যে দিল্লীৰ মেইন ইঞ্জিন সলনি কৰিলে অসমতো সকলো সলনি হৈ পৰিব। বিজেপিৰ ডাবোল ইঞ্জিন চৰকাৰৰ ইন্ধন চান্দা আৰু ধান্দা বুলিও তেওঁ কয়। বেংক একাউণ্ট বন্ধ কৰা, ৱাশ্বিং মেচিন লগাই নেতা কাঢ়ি নিয়াকে ধৰি কংগ্ৰেছ দলক দুৰ্বল কৰিবলৈ বিভিন্ন প্ৰকাৰে ভয়-ভাবুকি দিয়া হৈছে যদিও কংগ্ৰেছে সেইবোৰলৈ ভয় নকৰে বুলিও স্পষ্ট কৰি দিয়ে। বিজেপিৰ ৪০০ পাৰৰ শ্ল'গান কোনোপধ্যে সম্ভৱ নহয় আৰু দেশৰ জনতাই এনে শ্ল'গানক বিশ্বাস নকৰে বুলিও কয়। তেওঁ কয়, 'দেশত এতিয়া আণ্ডাৰকাৰেণ্ট চলি আছে। এই আণ্ডাৰকাৰেণ্ট টিভি, বাতৰি কাকত, ছ'চিয়েল মিডিয়াত দেখিবলৈ পোৱা নাযায়। জনতাই এইবাৰ ভিতৰি ভিতৰি মোদীৰ অন্যায় কালৰ পৰা মুক্তি পাবলৈ ঠিৰাং কৰি লৈছে। গতিকে চাৰিশ পাৰৰ শ্ল'গানে কোনো কাম নিদিয়ে। আণ্ডাৰকাৰেণ্টৰ কথা জানিব পাৰি ভয়তে মোদীয়ে এনে শ্ল'গান দি ফুৰিছে।' কংগ্ৰেছ দুৰ্বল হৈছে বুলি মুখ্যমন্ত্ৰীয়ে চলাই থকা প্ৰপাগাণ্ডামূলক প্ৰচাৰক কোনো গুৰুত্ব দিয়াৰ প্ৰয়োজন নাই বুলিও তেওঁ কয়। তেওঁ কয়, 'কংগ্ৰেছ দল এতিয়া নতুন হৈ পৰিছে। এতিয়া কংগ্ৰেছত কোনো সুবিধাবাদী নেতাৰ স্থান নাই। এতিয়া কংগ্ৰেছৰ আদৰ্শ আৰু বিচাৰধাৰাক মনে-প্ৰাণে ভালপোৱা লোকসকলে দলটোক আগতকৈ আৰু শক্তিশালী কৰি তুলিব। ৱাশ্বিং মেচিনত সোমোৱা নেতাৰ কথাত ৰাইজে এতিয়া আৰু ভোল নাযায়।' 'কা' আইন সন্দৰ্ভতো তেওঁ চৰকাৰক জবাবদিহি কৰে। চৰকাৰে নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি দেশখনক ভাগ ভাগ কৰিবলৈ এনে নিকৃষ্ট কাম কৰিছে বুলিও জয়ৰাম ৰমেশে কয়। তেওঁ কয় যে 'কা' আইনখন সংবিধান বিৰোধী আৰু ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত। 'কা' আইনৰ নীতি-নিয়ম নিৰ্ধাৰণ কৰিবলৈ কিয় চাৰি বছৰ লাগিল বুলিও তেওঁ প্ৰশ্ন কৰে। আজিৰ সংবাদমেলত যোৰহাটৰ জনতাই গৌৰৱ গগৈক বিপুল ভোটত জয়ী কৰাব বুলিও তেওঁ মন্তব্য কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দ্বিতীয় মহলাৰ পৰা পৰি

মৃত ছাত্ৰীগৰাকী কটন বিশ্ববিদ্যালয়ৰ উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ ছাত্ৰী বুলি জানিব পৰা গৈছে। উজান বজাৰৰ প্ৰাণালয়া নামৰ এটা ব্যক্তিগত ছাত্ৰীনিবাসত আছিল ছাত্ৰীগৰাকী। মঙলবাৰে পেয়িং গেষ্টটোৰ দ্বিতীয় মহলাৰ পৰা পৰি গৈছিল ছাত্ৰীগৰাকী। সংকটজনক অৱস্থাত ছাত্ৰীগৰাকীক জিএমচিএইছত ভৰ্তি কৰোৱা হৈছিল। যদিও বুধবাৰে চিকিৎসাধীন অৱস্থাত মৃত্যু হয় ছাত্ৰীগৰাকীৰ। ইতিমধ্যে আৰক্ষীয়ে ছাত্ৰীগৰাকীৰ ম'বাইল ফোন আৰু ডায়েৰী জব্দ কৰিছে। আৰক্ষীয়ে এইপৰ্যন্ত ছাত্ৰীগৰাকীৰ মৃত্যুৰ কাৰণ সদৰি কৰা নাই। একাংশ প্ৰত্যক্ষদৰ্শীয়ে ছাত্ৰীগৰাকীয়ে আত্মহত্যা কৰা বুলি দাবী কৰিছে যদিও এই পৰ্যন্ত মৃত্যুৰ প্ৰকৃত কাৰণ ৰহস্য হৈয়েই আছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ছত্তীশগড়ত খাৱৈত বাগৰিল

গৈছে। দুৰ্গ জিলাৰ কুমহাৰীত মঙলবাৰে নিশা সংঘটিত হয় এই দুৰ্ঘটনা। জানিব পৰা মতে, নিশা কেডিয়া ডিষ্টিলেৰী ফেক্টৰীৰ কৰ্মৰত ৪০ জন কৰ্মচাৰীয়ে কৰ্তব্য সমাপন কৰি বাছেৰে ঘৰলৈ আহি থকাৰ সময়তে খাপৰি গাঁৱৰ সমীপত এই দুৰ্ঘটনা সংঘটিত হয়। ইফালে দুৰ্ঘটনাৰ খবৰ লাভ কৰিয়েই ঘটনাস্থলীত আৰক্ষী আৰু উদ্ধাৰকাৰী দল উপস্থিত হৈ ১২ জনৰ মৃতদেহ উদ্ধাৰ কৰে। আন ১৫ জনক জীৱন্তে উদ্ধাৰ কৰি নিকটৱৰ্তী হাস্পতাললৈ প্ৰেৰণ কৰা হয়। আহত সকলক কেইবাজনকো সংকটজনক অৱস্থাত পৰৱৰ্তী সময়ত এইমছলৈ স্থানান্তৰিত কৰা হয়। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দুৰ্ঘটনাত শোক প্ৰকাশ কৰি আহত সকলৰ আশু আৰোগ্য কামনা কৰিছে।

মৈৰাবাৰীত 'বাটৰ কবিতা'

# 'ৰমজানৰ কবিতা'ৰ একাদশ বাৰ্ষিক সংখ্যাৰ শুভ উন্মোচন

**ই সংবাদ,মৈৰাবাৰী, ১০ এপ্ৰিলঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ খাইৰ প্ৰকাশনে ২০১৩ চনৰ পৰা প্ৰতি বছৰে পৱিত্ৰ ৰমজান মাহ উপলক্ষে ৰমজান মাহত প্ৰকাশ কৰা 'ৰমজানৰ কবিতা' নামৰ অসমীয়া কাব্য সংকলনখনৰ একাদশ বাৰ্ষিক সংখ্যাটি আজি পুৱা ১১ বজাত অনুষ্ঠিত এপ্ৰিল মাহৰ 'বাটৰ কবিতা' অনুষ্ঠানত বিশিষ্ট গৱেষক, লেখক ডঃ অংশুমান দাসৰ সঞ্চালনাত শুভ উন্মোচন হৈ যায়। কবি খাইৰুল ইছলাম আৰু মুহাম্মাদ আফজাল সম্পাদিত কাব্য সংকলনখন উন্মোচন কৰে জ্ঞান ৰত্ন সাহিত্য একাডেমীৰ সভাপতি ডঃ হেমচন্দ্ৰ বৰ্মণে। অনুষ্ঠানৰ আৰম্ভণিতে যুৱ কবি, হাফিজ আসাদ মদনীয়ে চমুকৈ কুৰআন পাঠ কৰি সকলোকে মুগ্ধ কৰে। 'ৰমজানৰ কবিতা' শীৰ্ষক বাৰ্ষিক কাব্যানুষ্ঠানৰ সমান্তৰালকৈ মাহেকীয়া কাব্যানুষ্ঠান 'বাটৰ কবিতা'ৰ উদ্দেশ্য ব্যাখ্যা কৰে খাইৰ প্ৰকাশনৰ স্বত্বাধিকাৰী তথা কবি, লেখক খাইৰুল ইছলামে। কবিতা পাঠ পৰ্বত ক্ৰমে ছান্দাম হুছেইন, আনোৱাৰ হুছেইন, বদৰুজ জামান আকতাৰ, মতিউৰ ৰহমান, উম্মীদ হাচান, আসাদ মদনী, মুহাম্মাদ আফজাল আৰু খাইৰুল ইছলামে ৰমজান বিষয়ক কবিতা পাঠ কৰে। সঞ্চালক ডঃ অংশুমান দাসে কবি মুহাম্মাদ আফজালৰ 'কেনে আছে বাৰু পেলেষ্টাইনী ৰোজাদাৰ!' নামৰ হৃদয়স্পৰ্শী কবিতাটো সংকলনখনৰ অন্যতম শ্ৰেষ্ঠ কবিতা বুলি মতপোষণ কৰে। তেওঁ নিজৰ বক্তব্যত 'ৰমজানৰ কবিতা'ৰ মুখ্য সম্পাদক খাইৰুল ইছলাম আৰু সম্পাদক মুহাম্মাদ আফজালৰ নেতৃত্বত খাইৰ প্ৰকাশনৰ উদ্যোগত চলি থকা 'বাটৰ কবিতা' আৰু 'ৰমজানৰ কবিতা'ৰ দৰে দীৰ্ঘদিনীয়া সমূহীয়া ধাৰাবাহিক কাব্য চৰ্চাৰ আন্তৰিক শলাগ লয়। বিশিষ্ট কবি, লেখক ৰেকিবুল আজাদে কবিকুলৰ এনে মহান পদক্ষেপৰ ভূয়সী প্ৰশংসা কৰে। শেষত 'ৰমজানৰ কবিতা'ৰ সম্পাদক মুহাম্মাদ আফজালে 'ৰমজানৰ কবিতা'ৰ একাদশ সংখ্যাত সন্নিৱিষ্ট অসমৰ বিভিন্ন প্ৰান্তৰ প্ৰায় চাৰি কুৰিগৰাকী কবিৰ আন্তৰিক সহযোগিতাৰ বিশেষ শলাগ লয়।



আনন্দই নধৰে হিয়া, ফটো যোৰহাটৰ

মানুহৰ জীৱনৰ সৈতে খেলা কৰিছে ৰামদেৱে!

# পতঞ্জলিৰ নতুন ক্ষমা আবেদন খাৰিজ উচ্চতম ন্যায়ালয়ৰ

**ই-সংবাদ, ১০এপ্ৰিলঃ** উচ্চতম ন্যায়ালয়ে খাৰিজ কৰিলে বাবা ৰামদেৱ আৰু বালকৃষ্ণৰ দ্বাৰা দাখিল কৰা নতুন ক্ষমা আবেদন। পতঞ্জলিৰ বিভ্ৰান্তিকৰ বিজ্ঞাপন সন্দৰ্ভত এই ক্ষমা আবেদন দাখিল কৰিছিল বাবা ৰামদেৱ আৰু বালকৃষ্ণই। ন্যায়াধীশ হিমা কোহলী আৰু ন্যায়াধীশ এ আমানুল্লাহৰ বিচাৰপীঠে বিষয়টোত কেন্দ্ৰৰ মনোভাৱক লৈ অসন্তুষ্টি প্ৰকাশ কৰিছে। আদালতে ৰাজ্যিক কৰ্তৃপক্ষক কোম্পানীৰ প্ৰতিষ্ঠাপকসকলৰ সৈতে মিলি থকাৰ বাবে সমালোচনাও কৰে। ন্যায়ালয়ে কয় যে, উত্তৰাখণ্ডৰ বিভাগীয় কৰ্তৃপক্ষই এই বিষয়টোত কেৱল ফাইলবোৰ ইফাল-সিফাল কৰি আছিল। তাৰ বাহিৰে একো কৰা নাই।তেওঁ কয় যে, আপোনালোকে জীৱন ৰক্ষা কৰিব লাগে কিন্তু আপোনালোকে মানুহৰ জীৱনৰ সৈতে খেলি আছে। যেতিয়া মানুহৰ ওচৰত এই ঔষধবোৰ আছিল তেওঁলোকক বুৰ্বক বনোৱা হৈছিল। তেতিয়া আপোনালোকে কি কৰি আছিল। আনহাতে আদালতে পতঞ্জলিক কয় যে, ক্ষমা বিচৰাটো কাগজৰ টুকুৰাটোৰ যোগ্য নহয়। ক্ষমা বিচৰাটো যথেষ্ট নহয়। আদালতৰ আদেশ উলংঘা কৰাৰ বাবে আপুনি পৰিণামৰ সন্মুখীন হ'ব লাগিব। এজন মানুহে দয়া বিচাৰে কিন্তু ড্ৰাগছ গ্ৰহণ কৰা অগণন নিৰীহ লোকৰ কি হ'ব ? উল্লেখ্য যে, পতঞ্জলি আয়ুৰ্বেদ সামগ্ৰীৰ বিজ্ঞাপন আৰু সেইবোৰৰ চিকিৎসীয় প্ৰভাৱৰ সৈতে সম্পৰ্কিত বিজ্ঞাপন সন্দৰ্ভত আদালতত শুনানি হৈ আছে। ন্যায়াধীশ হিমা কোহলী আৰু আহছানুদ্দিন আমানুল্লাহৰ বিচাৰপীঠে কোম্পানীটোৰ ওপৰত আপত্তি দৰ্শায়। সৰ্বোচ্চ ন্যায়ালয়ত ইণ্ডিয়ান মেডিকেল এছোচিয়েশ্যনে এক আবেদন দাখিল কৰিছিল।



মোবাইলৰ ফ্লাৰ্চ লাইট জ্বলাই মাকুমত লুৰীণজ্যোতিৰ প্ৰচাৰ অভিযান

# লক্ষ্য সংখ্যালঘু ভোটাৰ লাহৰীঘাটত সুৰেশ বৰাৰ প্ৰচাৰ

**পুলক মেধি,লাহৰীঘাট ১০ এপ্ৰিল :** মৰিগাঁও সমষ্টিত নতুনকৈ সংযোজিত হোৱা লাহৰীঘাটৰ পাঁচখনকৈ গাঁও পঞ্চায়তত আজি নগাঁও লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী সুৰেশ বৰাই মাৰাথন নিৰ্বাচনী প্ৰচাৰ চলাই।প্ৰথমে কুশতলি ৰাস মণ্ডপত অনুষ্ঠিত হয় নগাঁও লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী সুৰেশ বৰাৰ বিশাল নিৰ্বাচনী সভা।সভাত উপস্থিত থাকে মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী সহ কেইবাগৰাকীও দলীয় নেতৃত্ব।দেউৰীয়ে ভাষণত সকলো ৰাইজকে বিজেপিত ভোট দিবলৈ অনুৰোধ জনায়। লগতে ভোট বিচাৰি যোৱা কংগ্ৰেছী সকলক বুঢ়ী বাঢ়নী লৈ খেদিবলৈ ভোটাৰ ৰাইজক আহ্বান জনায়।একেদৰে সভাখনত প্ৰাৰ্থী সুৰেশ বৰাই সকলো ৰাইজক বিজেপিত ভোট দি তৃতীয় বাৰৰ বাবে নৰেন্দ্ৰ মোদীক ভাৰতৰ প্ৰধানমন্ত্ৰী বনাবলৈ অনুৰোধ জনায় ইফালে নিৰ্বাচনী সভাসমূহত ৰাইজৰ সমাগম দেখি নগাঁও লোকসভা সমষ্টিত তেওঁৰ জয় নিশ্চিত বুলি কয়।উল্লেখ্য যে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী গৰাকীয়ে কুশতলিৰ উপৰিও গেৰুৱা, ডোংগাৰপাৰা,ভূৰাগাঁও আৰু জৰিবৰত নিৰ্বাচনী সভাৰ জৰিয়তে মাৰাথন প্ৰচাৰ চলায়।

# ইউপিপিএল দল নাইকীয়া হ'বঃ কালিচৰণ নাৰ্জাৰী

# কেন্দ্ৰীয় কৃষক গোটৰ সম্পাদককে ধৰি ৩০গৰাকীৰ বিপিএফত যোগদান

**ই-সংবাদ, কোকৰাঝাৰ, ১০ এপ্ৰিলঃ** কোকৰাঝাৰ জিলাৰ বাওখুংগ্ৰী পৰিষদীয় সমষ্টিত আজি বিপিএফ দলৰ উদ্যোগত এক যোগদান সভা অনুষ্ঠিত হয়। বিপিএফৰ জ্যেষ্ঠ নেতা তথা বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী দনেশ্বৰ গয়াৰীৰ উপস্থিতিত অনুষ্ঠিত হোৱা উক্ত যোগদান সভাত ইউপিপিএলৰ কেন্দ্ৰীয় কৃষক গোটৰ সম্পাদক কালিচৰণ নাৰ্জাৰীকে ধৰি ৩০ গৰাকী সদস্যই আনুষ্ঠানিকভাৱে বিপিএফ দলত যোগদান কৰে। ইপিনে বিপিএফ দলত আনুষ্ঠানিকভাৱে যোগদান কৰি কালিচৰণ নাৰ্জাৰীয়ে বাওখুংগ্ৰীত ইউপিপিএল দল নাইকীয়া হ'ব বুলি মন্তব্য প্ৰকাশ কৰিছে। তেওঁ কয়- পূৰ্বতে বিপিএফ দলে যেনেদৰে উন্নয়ন কৰিছিল ইউপিপিএল দলে কৰে। টকা উদ্ধাৰৰ পাছতে বিজেপিৰ বিৰুদ্ধে ধৰ্ণা তেনেদৰে উন্নয়ন কৰিব পৰা নাই। ইউপিপিএল দলৰ নিজৰ মাজতে মিলাপ্ৰীতি নাই বুলি উল্লেখ কৰি অচিৰেই আৰু বৃহৎ সংখ্যকে ইউপিপিএল ত্যাগ কৰি বিপিএফদলত যোগদান কৰিব বুলি সদৰি কৰিছে কালিচৰণ নাৰ্জাৰীয়ে। আনহাতে বিপিএফৰ জ্যেষ্ঠ নেতা তথা বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী দনেশ্বৰ গয়াৰীয়ে কয় যে ইউপিপিএলৰ কাৰ্যকালত প্ৰধানমন্ত্ৰী আৱাস যোজনাকে ধৰি আন আন আঁচনিত ভিচিডিচি পৰ্যায়ত কেলেংকাৰী হৈছে বুলি উল্লেখ কৰে। আগন্তুক লোকসভা নিৰ্বাচনত বিপিএফ দলে ভাল ফলাফল দেখুৱাবলৈ সক্ষম হ'ব বুলি মন্তব্য কৰিছে দনেশ্বৰ গয়াৰীয়ে। আজিৰ যোগদান সভাত বিপিএফৰ জ্যেষ্ঠ নেত্ৰী ক্ৰমে মালতি ৰাণী নাৰ্জাৰী , উমাৰাণী বসুমতাৰী উপস্থিত আছিল।




# অসম ডন বস্ক' বিশ্ববিদ্যালয়ত উদ্ভাৱন, ৰূপাংকণ আৰু উদ্যমিতা শীৰ্ষক প্ৰশিক্ষণ শিবিৰ

**গুৱাহাটী, ১০ এপ্ৰিল:** অসম ডন বস্ক' বিশ্ববিদ্যালয়ৰ টেপেচিয়া প্ৰাংগণত ৯ আৰু ১০ এপ্ৰিলত উত্তৰ-পূৰ্বাঞ্চলৰ উচ্চ বিদ্যালয়সমূহৰ শিক্ষক আৰু শিক্ষাৰ্থীৰ বাবে "উদ্ভাৱন, ৰূপাংকণ আৰু উদ্যমিতা" [Innovation, Design and Entrepreneurship (IDE)] শীৰ্ষক এক প্ৰশিক্ষণ শিবিৰ সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদ (এআইচিটিই), শিক্ষা মন্ত্ৰালয়ৰ উদ্ভাৱন কোষ (এমআইচি), কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ড (চিবিএছই) আৰু ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (এনচিইআৰটি)ৰ যৌথ পদক্ষেপত অনুষ্ঠিত হয় । দুদিনীয়া আৱাসিক প্ৰশিক্ষণ শিবিৰটোত স্কুল ইনোভেচন কাউন্সিল, কনটেষ্ট, জুনিয়ৰ হেকাথন, এ টি এল ইনোভেচন চেলেঞ্জ আৰু পি এম এছ এইচ আৰ আই স্কুলৰ অধীনত উৎসাহী অংশগ্ৰহণকাৰীসকলে ৰূপাংকণৰ চিন্তাধাৰা, ব্যৱসায়ৰ সম্পৰ্কীয় অভিজ্ঞতাভিত্তিক শিক্ষণ গ্ৰহণ কৰে ।এই প্ৰশিক্ষণ শিবিৰত উত্তৰ পূৰ্ব্বাঞ্চলৰ বিভিন্ন শিক্ষানুষ্ঠানৰ প্ৰায় ২০০ শিক্ষাৰ্থী আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে । ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কল্পনা কৰা এই পদক্ষেপৰ লক্ষ্য হৈছে মাধ্যমিক শিক্ষা প্ৰতিষ্ঠানৰ ছাত্ৰ উদ্ভাৱক আৰু উদ্ভাৱন ৰাষ্ট্ৰদূতসকলৰ উদ্ভাৱন, ৰূপাংকণ আৰু উদ্যমিতাৰ দক্ষতাক প্ৰশিক্ষণৰ জৰিয়তে আগুৱাই লৈ যোৱা ।এই দুদিনীয়া শিবিৰত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান গুৱাহাটীৰ অধ্যাপক অমৰেন্দ্ৰ কুমাৰ দাস, সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদৰ ময়ুৰ বৰকাৰ, আৰোহণ ফুডছৰ অনাবিল গোস্বামী, অৰিন্দম হাজৰিকা, ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান শিলচৰৰ ড° সুমিত ভৌমিক, ট্ৰানছ ভাৰ্চুৱেল প্ৰাইভেট লিমিটেডৰ কাৰ্য্যবাহী সঞ্চালক বিশ্বজিত হাজৰিকা, ৱাধৱানি ফাউণ্ডেচনৰ বিষ্ণুপ্ৰিয়া বিষ্ণুপ্ৰসাদ আৰু ড° আৰ সুজাতাই সমল ব্যক্তি হিচাপে উপস্থিত থাকি উদ্ভাৱন, ৰূপাংকণ, আৰু উদ্যমিতা সন্দৰ্ভত ভাষণ প্ৰদান কৰে । ১০ এপ্ৰিলত শিক্ষাৰ্থীসকলে প্ৰশিক্ষণ শিবিৰটোত লাভ কৰা অভিজ্ঞতা প্ৰকাশ কৰে ।

# নিজনমাটিত ৰঙালী বিহু উদযাপনৰ প্ৰস্তুতি

**ই-সংবাদ, বৰমা, ১০ এপ্ৰিলঃ** নলবাৰী জিলাৰ নিজনমাটি ওজাপাৰা গোপীনাথ নামঘৰ প্ৰাংগণত অহা ১৩, ১৪ আৰু ১৫ এপ্ৰিলত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰঙালী বিহু উদযাপনৰ ব্যাপক প্ৰস্তুতি চলিছে। ১৩ এপ্ৰিলৰ পুৱা ৮ বজাত পতাকা উত্তোলন কৰিব বিহু উদযাপন সমিতিৰ সভাপতি ৰণীধৰ মজুমদাৰে। ৮ঃ৫ বজাত সাংস্কৃতিক পতাকা উত্তোলন কৰিব সমাজকৰ্মী মধুসুধন কলিতাই। ৮ঃ১০ বজাত ক্ৰীড়া পতাকা উত্তোলন কৰিব হিচাপ পৰীক্ষণ বিভাগৰ উপ-সঞ্চালক ৰঞ্জিত ঠাকুৰীয়াই। ৮ঃ২০ বজাৰ পৰা শ্বহীদ বেদীত বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলি অৰ্পন, গছপুলি ৰোপন, ৯ বজাত খেল-ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰিব সমাজকৰ্মী বিভৱ গোস্বামীয়ে। ১৪ এপ্ৰিলৰ পুৱা ৯ বজাৰ পৰা বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা, দিনৰ ১১ বজাত কবিতা আবৃত্তি প্ৰতিজোগিতা, আবেলি ৪ বজাত বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা, সন্ধিয়া ৭ বজাত আধুনিক নৃত্য আৰু দলীয় বিহু প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১৫ এপ্ৰিলৰ দিনৰ ১১ বজাত কুইজ প্ৰতিযোগিতা, ১২ বজাত ভেশচন প্ৰতিযোগিতা, আবেলি ৰনীধৰ মজুমদাৰৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভা-বঁটা বিতৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ডি.কে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক সুনীল তালুকদাৰ, নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব পাঠশালা শ্ৰীৰাম একাডেমীৰ উপাধ্যক্ষ পুলেন গোস্বামী। সন্ধিয়া ৭ বজাত সাংস্কৃতিক সন্ধিয়াৰ বন্তি প্ৰজ্বলন কৰিব বৰপেটা ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ৰ অতিৰিক্ত অধীক্ষক ডাঃ মৃণাল তালুকদাৰ আৰু বিটিআৰৰ কাৰ্যবাহী ঘনশ্যাম দাস। ৭ঃ১০ বজাত সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন কৰিব বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী অনচুমৈ খুংগুৰ বড়োই। ৭ঃ২০ বজাত সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব বৰপেটা ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ ৰমেন তালুকদাৰে।




নিশা যোৰহাটৰ ৰাজপথত গৌৰৱ গগৈৰ নিৰ্বাচনী প্ৰচাৰ

## প্ৰচাৰ অভিযানৰ মাজতে তিনিচুকীয়াত অঘটন

# মনোজ তিৱাৰীক আদৰিবলৈ যোৱা বিজেপি নেতাৰ আকস্মিক মৃত্যু

**ই-সংবাদ, ১০এপ্ৰিলঃ** বুধবাৰে তিনিচুকীয়াত বিজেপিৰ প্ৰচাৰ অভিযানৰ মাজতে সংঘটিত হয় এক অঘটন ৷ নিৰ্বাচনী প্ৰচাৰৰ বাবে মানৱ কল্যাণ পূজা ভৱনত আয়োজন কৰা এক সভাত বিজেপিৰ সংখ্যালঘু মৰ্চাৰ তিনিচুকীয়া জিলা সমিতিৰ উপ-সভাপতি বাৰিক আহমেদ হঠাৎ পকী মজিয়াত ঢলি পৰে ৷ তেওঁক ততাতৈয়াকৈ তিনিচুকীয়াঅসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে । উল্লেখ্য যে আজি তিনিচুকীয়ালৈ আহিছিল ভোজপুৰী বোলছবি জগতৰ অভিনেতা তথা সাংসদ মনোজ তিৱাৰী৷ পুৱা তেওঁ ডিব্ৰুগড় বিমান বন্দৰত অৱতৰণ কৰাৰ পাছত ডুমডুমাৰ এক ৰোড শ্ব'ত অংশগ্ৰহণ কৰি বিয়লিলৈ ইয়াৰ মানৱ কল্যাণ পূজা ভৱনত আয়োজিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰাৰ কথা আছিল তিৱাৰীৰ৷ ইফালে বিজেপিৰ দলীয় কৰ্মীসকলে মানৱ কল্যাণ পূজা ভৱনত সভাৰ আয়োজনৰ লগতে মনোজ তিৱাৰীৰ আগমনক লৈ আনন্দত মতলীয়া হৈ থকাৰ সময়তে বাৰিক আহমেদ(৫২) নামৰ বিজেপিৰ কৰ্মীজন ঠাইতে ঢলি পৰে ৷ তেওঁক চিকিৎসালয়লৈ নিয়া হয় যদিও আকস্মিকভাৱে মৃত্যুক সাৱতি লয়৷ তেওঁৰ মৃত্যুত জিলা বিজেপিয়ে শোক প্ৰকাশ কৰিছে ৷ বিজেপিৰ জিলা সমিতিৰ সম্পাদক পুলক চেতিয়াই কয় যে বাৰিক এজন নিষ্ঠাৱান দলীয় কৰ্মী আছিল ৷ উল্লেখ্য যে বাৰিক আহমেদৰ পিতৃগৃহ গুৱাহাটীৰ নুনমাটিত ৷ ইহসংসাৰত পত্নীসহ পুত্ৰ আৰু কন্যাক এৰি থৈ যোৱা বাৰিক আহমেদৰ আকস্মিক মৃত্যুত মনোজ তিৱাৰীয়েও গভীৰ শোক প্ৰকাশ কৰিছে ৷

# কোকৰাঝাৰ লোকসভাৰ এনডিএৰ প্ৰাৰ্থীৰ নিৰ্বাচনী সভা

## 'বিজেপি, অগপ, ইউপিপিএল হ'ল ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰ'

**ই-সংবাদ, কোকৰাঝাৰ, ১০ এপ্ৰিলঃ** লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ সময়তে কোকৰাঝাৰ লোকসভা সমষ্টিৰ বিভিন্ন প্ৰান্তত ইউপিপিএল দলে মাৰাথন নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিছে। আজি কোকৰাঝাৰ লোকসভাৰ এনডিএৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীয়ে কোকৰাঝাৰৰ জিলাৰ বালাগাঁও, দেৱৰগাঁও, পাথৰঘাট আৰু শুকানঝোৰাকে ধৰি আন কেবাঠাইত নিৰ্বাচনী প্ৰচাৰ চলায় আৰু ভোটাৰ সকলৰ সৈতে বাৰ্তালাভত মিলিত হয়। উল্লেখ্য যে আজি ৰাতিপুৱা প্ৰায় ১০:০০ মান বজাত কোকৰাঝাৰ লোকসভাৰ এনডিএৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীয়ে বালাগাঁওৰ লক্ষ্মী মন্দিৰ প্ৰাংগনত উপস্থিত হৈ লক্ষ্মী মন্দিৰত সেৱা জনাই লক্ষ্মীদেৱীৰ আশীৰ্বাদ লোৱাৰ পিছতে ভোটাৰৰ সতে চমু বৈঠকত অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে জয়ন্ত বসুমতাৰীক স্থানীয় ৰাইজে বিপুলভাৱে আদৰণি জনোৱাৰ লগতে জিন্দাবাদ ধ্বনিও দিয়ে। বালাগাঁৱৰ লক্ষ্মী মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হোৱা সভাত অংশগ্ৰহণ কৰি ইউপিপিএলৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীয়ে এনডিএৰ সপক্ষে ভোটদান কৰিবলৈ সকলো ভোটাৰ ৰাইজৰ প্ৰতি আহ্বান জনাইছে। ইপিনে সংবাদমাধ্যমৰ আগত এনডিএয়ে ৭০ শতাংশ ভোট লাভ কৰি জয়লাভ কৰিব বুলি মন্তব্য কৰিছে প্ৰাৰ্থী জয়ন্ত বসুমতাৰীয়ে। তেওঁ কয় - ৰাইজ স্বৰ্তস্ফূৰ্তভাৱে ওলাই আহিছে আৰু সেয়ে এনডিএৰ বিজয় নিশ্চিত। পূৰ্বতে অঞ্চলটোত অশান্তিময় পৰিৱেশ আছিল, এতিয়া শান্তি ঘূৰি আহিছে আৰু জীৱনৰ নিৰাপত্তা সুনিশ্চিত হৈছে। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত সমগ্ৰ অসমতে প্ৰভূত উন্নয়ন হৈছে। সকলো সমস্যা আলাপ -আলোচনাৰ মাধ্যমেৰে সমাধান হৈছে। অসমত এতিয়া আন্দোলনৰ পৰিৱেশ নাই। বিটিআৰত প্ৰমোদ বড়োৰ নেতৃত্বত শান্তি ঘূৰি আহিছে। বিজেপি, অগপ, ইউপিপিএলতকৈ বৰ্তমান ডাঙৰ শক্তি আৰু বিজেপি, অগপ, ইউপিপিএলতকৈ ডাঙৰ শক্তি নাই। তেওঁ বিজেপি, অগপ, ইউপিপিএলক ব্ৰহ্মা বিষ্ণু মহেশ্বৰৰ সতে তুলনা কৰে। উল্লেখ্য যে আজিৰ সভাত জিলা আৰু ব্লক পৰ্যায়ৰ কেবাগৰাকী নেতাই অংশগ্ৰহণ কৰে।

## ‘আদৰ্শ,মূল্যবোধৰ ৰাজনীতি বিজেপিয়ে বুজি নাপায়’

# মাজুলীত নিৰ্বাচনী প্ৰচাৰ প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ

**পৰাণজ্যোতি বৰা, মাজুলী,১০ এপ্ৰিল:** কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈ হৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আজি মাজুলীত উপস্থিত হয় কংগেছ সভাপতি ভূপেন বৰা।বিষয়ে হেলিকপ্টাৰে মাজুলীত আহি উপস্থিত হোৱাৰ পাছত গড়মূৰ কাছাৰি মৈদান পৰা বিশাল পদযাত্ৰা কৰি গড়মূৰ শ্ৰীমন্ত্ৰ শংকৰ দেৰ কৃষ্টি সংঘত অনুষ্ঠিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয় ভূপেন বৰাই । সভাত অংশ গ্ৰহণ কৰি কংগেছ সভাপতি ভূপেন বৰাই কয়- অসমৰ মুখ্যমন্ত্ৰীয়ে অমিত শ্বাহৰ সন্মুখত ৰাজহাৰ বেঁকা কৰি আত্মসমৰ্পণ কৰিছে।এইয়া অসমীয়া জাতিৰ স্বাভিমানত লাগিছে।বুলি উল্লেখ কৰি কয় - অসমীয়া জাতি লাচিত বৰফুকনৰ জাতি,অসমীয়া জাতি মূলাগাভৰো জাতি,কমলা মিৰি, কনকলতা কুশল কোঁৱৰ এই শ্বহীদ সকলৰ স্বাভিমান থকা জাতিটোৰ ৰাইজে বনোৱা মুখ্যমন্ত্ৰী জনে অমিত শ্বাহৰ আগত ৰাজহাৰ বেঁকা কৰি যি কৰিছে সেয়া লাজৰ কথা বুলি উল্লেখ কৰে।তেওঁ আৰু কয়-আমি উজনি অসমত পাঁচ খন আসনত জিকিম। কিয়নো ছয় জনগোষ্ঠী লোকক জনজাতিকাৰণ নকৰাৰ বাবে আমাক ভোট দিব ৰাইজে। গৌৰৱ গগৈ অসমীয়াৰ স্বাভিমান হয়, সৌৰ্য বীৰ্য প্ৰতীক,যিজন ব্যক্তিয়ে প্ৰধান মন্ত্ৰীৰ ওচৰত ৰাজহাৰ পোন কৰি কথা কয়, তেওঁ আমি যোৰহাটৰ পৰা পঠাব লাগিব বুলি উল্লেখ কৰে বৰাই। লগতে কয় যে- মই কংগেছ দলৰ সভাপতি হিচাপে মাজুলীবাসী ৰাইজক নিবেদন কৰিব বিচাৰিছোঁ মই ইয়াত যি কথা কম কংগেছ দলৰ স্বাৰ্থ কথা কব বিচৰা নাই। গৌৰৱ লোক সভালৈ নিৰ্বাচিত হৈ যাব নে নাই সেইটো কথা কেৱল কংগ্ৰেছ দলৰ স্বাৰ্থ নহয়,গৌৰৱ গগৈয়ে অসমীয়া জাতিৰ সমস্যা বিলাক সংসদৰ মজিয়াত শক্তিশালি ভাবে উত্থাপন কিৰিবলৈ আমাক গৌৰৱ গগৈ দৰে ব্যক্তি লাগিব।সংসদত ৫৪৩ জন সাংসদৰ মাজত এনেকুৱা সাংসদ গলে অসমীয়া মনৰ কথা বিলাক খুলি কব পাৰিব এনেকুৱা ব্যক্তিক আমি ভোট দি জিকাই পঠাব লাগিব।ভূপেন বৰা বিজেপিলৈ অহা প্ৰসংগত মুখ্যমন্ত্ৰী গৰাকীয়ে কোৱা প্ৰসংগ টানি আনি বৰাই কয়-ভূপেন বৰা বিজেপিলৈ আহিব এই কথা বোৰ কৈ তেওঁ নিৰ্বাচন আগুৱাব বিচাৰিছে।মুখ্যমন্ত্ৰীৰ এই বিলাক আদকাৰী কথাত অসমীয়া জাতীয় সত্বা জড়িত নাই এনেধৰণৰ কথা কৈ আচল কথা বোৰ তল পেলাব বিচাৰিছে।বুলি উল্লেখ কৰে। মাজুলী সংযোগী দলং প্ৰসংগত বৰাই কয় বিজেপিয়ে কৈছিল মাজুলীত এখন দলং হব কংগেছ ৬০ বছৰত কৰিব নোৱাৰা কাম বিজেপিয়ে ৬০ মাহত কৰি দিব কিন্তু বিজেপি চৰকাৰ হোৱা এশবিশ মাহ হল কিন্তু এখন দলঙৰ বাবে দুবাৰ সাংসদ হল আৰু দুবাৰ বিধায়ক হল,মাজুলীবাসীয়ে আৰু বিজেপিক কিমান ভোট দিব লাগিব বুলি নেতা সকললৈ প্ৰশ্ন তোলে ভূপেন বৰাই।তেওঁ আৰু কয়-আহোম, কোঁচ ,চুতীয়া, মৰাণ ,মটক আদিবাসী এই ছয় জনগোষ্ঠীক ছয় মাহৰ ভিতৰত বিজেপিয়ে জনজাতি দিব বুলি কোৱাৰ পাছতো নহল আৰু এই প্ৰতাৰণা প্ৰতিশোধ ১৯ তাৰিখৰ দিনা ৰাইজে দিব বুলি উল্লেখ কৰে। আৰু কয় যে -অংগনবাৰী আশা, গাওঁবুঢ়া,কৰ্মীয়ে নিজৰ প্ৰাপ্যৰ বাবে প্ৰতিবাদ কৰি থকা সত্বেও কিন্তু তেওঁলোকৰ খবৰ লবলৈ এই চৰকাৰৰ সময় নাই।বিজেপিয়ে আজি যতেই যায় তাতেই হিন্দু- মুছলমানৰ মাজত ভাগ ভাগ কৰিব বিচাৰেবুলি উল্লেখ কৰে। ভূপেন হাজৰিকাৰ গানৰ প্ৰসংগ টানি আনি ভূপেন বৰাই কয়-ভূপেন হাজৰিকাৰ গানত সমন্বয় কথা কৈছিল, কিন্তু বিজেপিয়ে গ্ৰহণ কৰা হয়।সংঘাত আনিব বিচাৰে। এনেদৰে সংঘাত আনিব বিচৰা মানুহক অসমৰ হৈ প্ৰথমে মাজুলীৰ মানুহে বৰ্জন কৰিব লাগে।




গৌৰৱ গগৈয়ে সামাজিক মাধ্যমত শ্বেয়াৰ কৰা মাজুলীৰ দুখন ফটো

## শেষ পৃষ্ঠা

# টিহুৰ শিয়ালমাৰিত স্বাস্থ্য সজাগতা সভা সম্পন্ন



**বৰমা ১০ এপ্ৰিলঃ** বিশ্বৰ পথ দূৰ্ঘটনাত ভাৰতৰ স্থান দ্বিতীয়, কিন্তু পথ দূৰ্ঘটনাত মৃত্যুৰ স্থানত বিশ্বৰ ভিতৰতে ভাৰত প্ৰথম। ইয়াৰ কাৰণ হ'ল ভাৰতৰ চিকিৎসা ব্যৱস্থা । বিশ্বৰ অন্য দেশত চিকিৎসা ব্যৱস্থা অতি উন্নত আৰু দ্ৰুতগামী। তদুপৰি আমাৰ যুৱ সমাজ মদ,ভাং, ড্ৰাগচ আদি মাৰাত্মক ব্যাধিৰ গৰাহত পৰাটো দূৰ্ভাগ্যজনক , ইয়াৰ বাবে পৰিয়ালৰ লোকসকল অধিক সচেতন হোৱা প্ৰয়োজন। আজি টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এচোছিয়েশ্যনৰ উদ্যোগত শিয়ালমাৰী বিষ্ণুমিলন সভা মহোৎসৱ সমিতি,শিয়ালমাৰী জ্যেষ্ঠ নাগৰিক সন্মিলন আৰু শিয়ালমাৰী গাওঁ উন্নয়ন সমিতিৰ সহযোগত টিহুৰ শিয়ালমাৰী বিষ্ণুমিলন সভাৰ খলাত অনুষ্ঠিত স্বাস্থ্য সজাগতা সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ দি এইদৰে কয় গুৱাহাটীৰ ক্ৰিটিকেল কেয়াৰ হস্পিতালৰ চিকিৎসা সঞ্চালক ডা০ হিতেশ শৰ্মাই। টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এচোছিয়েশ্যনৰ সভাপতি অজিত কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত স্বাস্থ্য সজাগতা সভাখন আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে টিহুৰ ৰাজহ চক্ৰ বিষয়া বিভাষ পাঠকে। সভাত বিশিষ্ট অতিথি হিচাপে ভাষণ দি উত্তৰ পূব কৰ্কট চিকিৎসালয় আৰু গৱেষণা প্ৰতিষ্ঠানৰ অধ্যক্ষ গনেশ তামুলীয়ে কয় যে কেঞ্চাৰ মানে মৃত্যু নহয়। মানুহৰ জীৱন ধাৰণৰ পদ্ধতি সুন্দৰ হ'ব লাগে। সময়মতে আহাৰ খোৱা, সময় মতে শুৱা আদি ক্ষেত্ৰত সদায় সাৱধান হোৱা উচিত। টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এচোছিয়েশ্যনৰ সম্পাদক কুমুদ বৰ্মনে উদ্দেশ্য ব্যাখ্যা কৰা আৰু আঁত ধৰা সভাখনত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থকা ডা০ প্ৰাণকান্ত ভট্টাচাৰ্যই বহুকেইটা পৰামৰ্শ প্ৰদান কৰে।







# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক সাক্ষাৎ কৰিব ইলন মাস্কে

**ই-সংবাদ, ১০এপ্ৰিলঃ** চলিত মাহত ভাৰতলৈ আহিব বিশ্বৰ আটাইতকৈ ধনী লোক হিচাপে পৰিচিত ইলন মাস্ক। টেছলাৰ মুৰব্বীগৰাকীয়ে এপ্ৰিলত ভাৰত ভ্ৰমণলৈ আহি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক সাক্ষাৎ কৰিব। সম্ভৱত এই আলোচনাৰ পাছত ইলন মাস্কে ভাৰতত বিনিয়োগ পৰিকল্পনা আৰু ভাৰতত বৈদ্যুতিক গাড়ীৰ প্ৰকল্পৰ বিষয়ে এক ডাঙৰ ঘোষণা কৰিব । অৱশ্যে এই আলোচনাৰ বিষয়ে এতিয়াও আনুষ্ঠানিক ঘোষণা বাকী আছে। খবৰ অনুসৰি টেছলাৰ দলে গুজৰাট, মহাৰাষ্ট্ৰ আৰু তামিলনাডুকে ধৰি বহুতো ৰাজ্য ভ্ৰমণ কৰিব পাৰে। টেছলাৰ নিৰ্মাণ কাৰখানাত ২ বিলিয়ন ডলাৰ বিনিয়োগ কৰাৰ সম্ভাৱনা আছে। ইয়াৰোপৰি আৰু বিভিন্ন ঘোষণা কৰিব পাৰে তেওঁ। উল্লেখ্য যে, ২০১৯ চনত ইলন মাস্কে প্ৰথমবাৰৰ বাবে ভাৰতত ব্যৱসায় কৰাত আগ্ৰহ প্ৰকাশ কৰিছিল। জানিব পৰা মতে আমেৰিকা যুক্তৰাষ্ট্ৰত টেছলাৰ আটাইতকৈ সস্তীয়া গাড়ীখন ভাৰতত প্ৰায় ৭০ লাখ টকাত বিক্ৰী হয়। যদিহে টেছলা ভাৰতলৈ আহে তেন্তে ই দেশখনৰ অৰ্থনৈতিক বিকাশত যথেষ্ঠ অৰিহনা যোগাব।



newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান